দেশ

‘পুনৰ SIR কৰক, বাবৰ-ঔৰংজেৱৰ সকলো নাম কৰ্তন কৰক’—মন্তব্য মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ

SIRৰ সমর্থনত ভাষণ দি ৰাহুল গান্ধী আৰু কংগ্রেছক সমালোচনা মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ। বাবৰ আৰু ঔৰংজেৱৰ নাম উল্লেখ কৰিও মন্তব্য কৰে তেওঁ।

প্রকাশ: ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২০



১ নৱেম্বৰ: বিশেষ সংশোধন (SIR)ক লৈ পুনৰ সৰৱ অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা। কংগ্রেছ নেতা ৰাহুল গান্ধীক লক্ষ্য কৰি তেওঁ কয়, SIRৰ জৰিয়তে ভোটাৰ তালিকাৰ পৰা অনুপ্রৱেশকাৰীৰ নাম কর্তন কৰা হৈছে। বাবৰ আৰু ঔৰংজেৱৰ প্রসংগ উত্থাপন কৰিও কংগ্রেছক সমালোচনা কৰে মুখ্যমন্ত্রীগৰাকীয়ে।

বিজেপিৰ ‘লোকতন্ত্র বচাও, অৰাজকতা হটাও’ শীর্ষক পদযাত্রা কার্যসূচীত অংশগ্রহণ কৰি ভাষণ প্রদান কৰে হিমন্ত বিশ্ব শর্মাই। নির্বাচনী ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ বিৰোধীৰ স্থিতিৰ সমালোচনা কৰে তেওঁ।

ভাষণত মুখ্যমন্ত্রীয়ে দাবী কৰে যে SIR প্রক্রিয়াৰ জৰিয়তে ভোটাৰ তালিকাৰ পৰা অনুপ্রৱেশকাৰীৰ নাম কর্তন কৰা

হৈছে। অসম আৰু পশ্চিমবংগৰ প্ৰসংগ উল্লেখ কৰি তেওঁ প্ৰশ্ন কৰে—SIR নকৰিলে এনে লোকৰ নাম কেনেকৈ আঁতৰোৱা হ’ব?

বাবৰ-ঔৰংজেৱৰ প্ৰসংগৰে কটাক্ষ

ভাষণত মোগল শাসক বাবৰ আৰু ঔৰংজেৱৰ নাম উল্লেখ কৰি শৰ্মাই কয় যে ভোটাৰ তালিকাৰ পৰা ‘বাবৰ আৰু ঔৰংজেৱ’ৰ নাম আঁতৰাবলৈও এই প্ৰক্ৰিয়াৰ প্ৰয়োজন। এই মন্তব্যৰে তেওঁ SIRৰ বিৰোধিতা কৰা কংগ্ৰেছৰ স্থিতিক সমালোচনা কৰে।

বিজেপি-বিৰোধীৰ মাজত ৰাজনৈতিক বাকযুদ্ধ

উল্লেখ্য যে ১ নৱেম্বৰত দিল্লীৰ ৰামলীলা ময়দানত SIR আৰু নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন উত্থাপন কৰি INDIA মিত্ৰজোঁটে সমাৱেশ অনুষ্ঠিত কৰিছিল। আনহাতে, বিজেপিয়ে দেশৰ বিভিন্ন স্থানত SIRৰ সমৰ্থনত পদযাত্ৰা উলিয়ায়। ভোটাৰ তালিকাৰ সংশোধনক কেন্দ্ৰ কৰি বিজেপি আৰু বিৰোধীৰ মাজৰ ৰাজনৈতিক সংঘাত অব্যাহত আছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/691/punor-sir-korok-babor-ourngjewor-sokolo-nam-korton-korok-montoby-mukhyomontri-hi